Feb - 2014

This Booklet contains **20** printed pages.
इस पुस्तिका में **20** मुद्रित पृष्ठ हैं।

**AK14II**

**Test Booklet No.**
**परीक्षा पुस्तिका संख्या**

(1)

## PAPER—II / प्रश्न-पत्र—II

## ASSAMESE LANGUAGE SUPPLEMENT / असमीया भाषा परिशिष्ट

## PART—IV & V / भाग—IV & V

**Test Booklet Code**
**परीक्षा पुस्तिका संकेत**

**N**

Do not open this Test Booklet until you are asked to do so.
इस परीक्षा पुस्तिका को तब तक न खोलें जब तक कहा न जाए।
Read carefully the Instructions on the Back Cover (Pages 19 & 20) of this Test Booklet.
इस परीक्षा पुस्तिका के पिछले आवरण (पृष्ठ 19 व 20) पर दिए गए निर्देशों को ध्यान से पढ़ें।
**For Instructions in Assamese see Page 2 of this Booklet.**
**असमीया में निर्देशों के लिए इस पुस्तिका का पृष्ठ 2 देखें।**

### *Instructions for Candidates :*

1. This booklet is a supplement to the Main Test Booklet for those candidates who wish to answer **EITHER** Part—IV (Language—I) **OR** Part—V (Language—II) in **ASSAMESE** language, but **NOT BOTH**.
2. Candidates are required to answer Part—I, and Part—II OR III from the Main Test Booklet and Parts—IV and V from the languages chosen by them.
3. Questions on English and Hindi languages for Part—IV and Part—V have been given in the Main Test Booklet. Language Supplements can be asked for separately.
4. Use **Blue/Black Ballpoint Pen only** for writing particulars on this page/marking responses in the Answer Sheet.
5. The CODE for this Language Booklet is **N**. Make sure that the CODE printed on **Side-2** of the Answer Sheet and on your Main Test Booklet is the same as that on this Language Supplement Booklet. In case of discrepancy, the candidate should immediately report the matter to the Invigilator for replacement of the Language Supplement Test Booklet.
6. This Test Booklet has **Two** Parts—IV and V, consisting of **60** Objective-type Questions and each carrying 1 mark :
   Part-IV : Language-I (Assamese) (Q. Nos. 91-120)
   Part-V : Language-II (Assamese) (Q. Nos. 121-150)
7. Part-IV contains 30 questions for Language-I and Part-V contains 30 questions for Language-II. In this Test Booklet, only questions pertaining to Assamese Language have been given. **In case the language(s) you have opted for as Language-I and/or Language-II is a language other than Assamese, please ask for a Test Booklet that contains questions on that Language. The languages being answered must tally with the languages opted for in your Application Form.**
8. **Candidates are required to attempt questions in Part-V (Language-II) in a language other than the one chosen as Language-I (in Part-IV) from the list of languages.**
9. Rough work should be done only in the space provided in the Test Booklet for the same.
10. The answers are to be recorded on the OMR Answer Sheet only. Mark your responses carefully. No whitener is allowed for changing answers.

### *परीक्षार्थियों के लिए निर्देश :*

1. यह पुस्तिका मुख्य परीक्षा पुस्तिका की एक परिशिष्ट है उन परीक्षार्थियों के लिए जो या तो भाग—IV (भाषा—I) **या** भाग—V (भाषा—II) का उत्तर **असमीया** भाषा में देना चाहते हैं, लेकिन **दोनों नहीं**।
2. परीक्षार्थी भाग—I, एवं भाग—II या III के उत्तर मुख्य परीक्षा पुस्तिका से दें और भाग—IV व V के उत्तर उनके द्वारा चुनी भाषाओं से।
3. अंग्रेज़ी व हिन्दी भाषा पर प्रश्न मुख्य परीक्षा पुस्तिका में भाग—IV व भाग—V के अन्तर्गत दिए गए हैं। भाषा परिशिष्टों को आप अलग से माँग सकते हैं।
4. इस पृष्ठ पर विवरण अंकित करने एवं उत्तर-पत्र पर निशान लगाने के लिए **केवल नीले/काले बॉलपॉइंट पेन** का प्रयोग करें।
5. इस भाषा पुस्तिका का **संकेत N** है। यह सुनिश्चित कर लें कि इस भाषा परिशिष्ट पुस्तिका का संकेत, उत्तर-पत्र के **पृष्ठ-2** एवं मुख्य परीक्षा पुस्तिका पर छपे संकेत से मिलता है। अगर यह भिन्न हो, तो परीक्षार्थी दूसरी भाषा परिशिष्ट परीक्षा पुस्तिका लेने के लिए निरीक्षक को तुरन्त अवगत कराएँ।
6. इस परीक्षा पुस्तिका में दो भाग—IV और V हैं, जिनमें **60** वस्तुनिष्ठ प्रश्न हैं तथा प्रत्येक 1 अंक का है :
   भाग–IV : भाषा–I (असमीया) (प्रश्न सं० 91-120)
   भाग–V : भाषा–II (असमीया) (प्रश्न सं० 121-150)
7. भाग–IV में भाषा–I के लिए 30 प्रश्न और भाग–V में भाषा–II के लिए 30 प्रश्न दिए गए हैं। इस परीक्षा पुस्तिका में केवल असमीया भाषा से सम्बन्धित प्रश्न दिए गए हैं। **यदि भाषा–I और/या भाषा–II में आपके द्वारा चुनी गई भाषा(एँ) असमीया के अलावा है/हैं, तो कृपया उस भाषा वाली परीक्षा पुस्तिका माँग लें। जिन भाषाओं के प्रश्नों के उत्तर आप दे रहे हैं वह आवेदन पत्र में चुनी गई भाषाओं से अवश्य मेल खानी चाहिए।**
8. **परीक्षार्थी भाग–V (भाषा–II) के लिए, भाषा सूची से ऐसी भाषा चुनें जो उनके द्वारा भाषा–I (भाग–IV) में चुनी गई भाषा से भिन्न हो।**
9. रफ़ कार्य परीक्षा पुस्तिका में इस प्रयोजन के लिए दी गई खाली जगह पर ही करें।
10. सभी उत्तर केवल OMR उत्तर-पत्र पर ही अंकित करें। अपने उत्तर ध्यानपूर्वक अंकित करें। उत्तर बदलने हेतु श्वेत रंजक का प्रयोग निषिद्ध है।

Name of the Candidate (in Capitals) : ____________________
परीक्षार्थी का नाम (बड़े अक्षरों में)

Roll Number (in figures) : ____________________
अनुक्रमांक (अंकों में)

(in words) : ____________________
(शब्दों में)

Centre of Examination (in Capitals) : ____________________
परीक्षा-केन्द्र (बड़े अक्षरों में)

Candidate's Signature : ____________________
परीक्षार्थी के हस्ताक्षर

Invigilator's Signature : ____________________
निरीक्षक के हस्ताक्षर

Facsimile signature stamp of Centre Superintendent ____________________

**03-II**

এই পৰীক্ষা-বহীত 20টা পৃষ্ঠা আছে

# AK14II

পৰীক্ষা-বহীখনৰ কোড

**N**

## কাকত—II

## অসমীয়া ভাষা

## খণ্ড—IV & V

এই পৰীক্ষা-বহীখন তোমাক খুলিবলৈ নোকোৱালৈকে নুখুলিবা।

এই পৰীক্ষা-বহীখনৰ পিছৰ পৃষ্ঠাটোত (পৃষ্ঠা 19 আৰু 20) থকা নিৰ্দেশনা মনোযোগেৰে পঢ়া।

***পৰীক্ষাৰ্থীৰ বাবে নিৰ্দেশনা :***

1 এই বহীখন মুখ্য পৰীক্ষা-বহীখনৰ সহায়ক হিচাপে সেই সকল পৰীক্ষাৰ্থীক দিয়া হৈছে যিয়ে অসমীয়া ভাষাৰ খণ্ড—IV (ভাষা—I) (Part—IV, Language—I) বা খণ্ড—V (ভাষা—II) (Part—V, Language—II)-অৰ উত্তৰ কৰিব বিচাৰে। কিন্তু দুয়োটা খণ্ডৰ উত্তৰ কৰিব নোৱাৰিব।

2. পৰীক্ষাৰ্থীসকলে মুখ্য পৰীক্ষা-বহীৰ পৰা—I, আৰু II বা III খণ্ডৰ উত্তৰ কৰিব লাগিব আৰু তেওঁলোকে নিৰ্বাচন কৰা ভাষাৰ খণ্ড—IV আৰু খণ্ড—V কৰিব লাগিব।

3. ইংৰাজী আৰু হিন্দী ভাষাৰ IV আৰু V খণ্ডৰ প্ৰশ্নসমূহ মুখ্য পৰীক্ষা-বহীৰ সৈতে দিয়া হৈছে। ভাষা সহায়কসমূহ আঁচুতীয়াকৈ লৈ উত্তৰ দিব পাৰিব।

4. এই পৃষ্ঠাত নিৰ্দিষ্ট বিষয়সমূহ কেৱল লিখিবলৈ আৰু উত্তৰসমূহ চিহ্নিত কৰিবলৈ **নীলা/ক'লা বল্ পয়েন্ট্ পেন** ব্যৱহাৰ কৰিবা।

5. এইখন ভাষা-বহী (Language Booklet)ৰ কোড হ'ল **N**. এইটো নিশ্চিত কৰা যে উত্তৰ-বহীৰ **দ্বিতীয় পিঠি,** মুখ্য পৰীক্ষা-বহী আৰু ভাষা সহায়কত একে ধৰণে এই কোডটো লিখা আছে। পৰীক্ষাৰ্থীয়ে ইয়াৰ কিবা খেলিমেলি দেখিলে নিৰীক্ষকক (Invigilator) জনাব আৰু ভাষা সহায়ক পৰীক্ষা-বহী সলাই ল'ব।

6. এই পৰীক্ষা-বহীৰ **দুটা** খণ্ড—IV আৰু খণ্ড—V **60** টা চমু ধৰণৰ প্ৰশ্ন (Objective-type Questions) আছে। প্ৰত্যেক প্ৰশ্নতে 1 নম্বৰকৈ দিয়া হৈছে :

| | | |
|---|---|---|
| খণ্ড—IV | : ভাষা—I (অসমীয়া) | (প্ৰশ্ন নং 91ৰ পৰা 120 লৈ) |
| খণ্ড—V | : ভাষা—II (অসমীয়া) | (প্ৰশ্ন নং 121ৰ পৰা 150 লৈ) |

7. খণ্ড—IV ত ভাষা—I ৰ বাবে 30 টা প্ৰশ্ন দিয়া হৈছে আৰু খণ্ড—V ত ভাষা—II ৰ বাবে 30 টা প্ৰশ্ন দিয়া হৈছে। এই পৰীক্ষা-বহীত প্ৰশ্নসমূহ কেৱল অসমীয়া ভাষাৰ বাবেহে দিয়া হৈছে। **ভাষাৰ ক্ষেত্ৰত যদি ভাষা—I অথবা ভাষা—II অসমীয়াৰ বাহিৰে অন্য ভাষাত প্ৰশ্ন দিয়া হৈছে তেনেহ'লে সেই ভাষাটোৰ প্ৰশ্ন থকা পৰীক্ষা-বহী খুজি ল'বা। তোমাৰ আবেদন পত্ৰত (Application Form) উল্লেখ কৰা ভাষাটোতহে পৰীক্ষাৰ উত্তৰ লিখিব পাৰিবা।**

8. **পৰীক্ষাৰ্থীয়ে ভাগ—V (ভাষা—II)-ৰ বাবে ভাষাসূচীৰ পৰা এনে ভাষা নিৰ্বাচন কৰিব যিটো ভাষা—I (ভাগ—IV)ত নিৰ্বাচন কৰা ভাষাৰ পৰা বেলেগ হ'ব।**

9. প্ৰশ্নোত্তৰৰ বাবে বাহিৰা কাৰ্য কেৱল পৰীক্ষা-বহীত থকা নিৰ্ধাৰিত ঠাইতহে কৰিব পাৰিব।

10. প্ৰশ্নৰ উত্তৰবোৰ কেৱল (OMR) উত্তৰ কাকততহে লিপিবদ্ধ কৰিব লাগিব। তোমাৰ উত্তৰবোৰ সযত্নে কৰা। উত্তৰ সলাবলৈ বগা অথবা অন্য ৰং ব্যৱহাৰ কৰিব নোৱাৰিবা।

প্ৰাৰ্থীৰ নাম (স্পষ্টভাৱে) : ______________________________

ৰোল নম্বৰ (সংখ্যাৰে) : ______________________________

(আখৰেৰে) : ______________________________

পৰীক্ষাকেন্দ্ৰ (স্পষ্টভাৱে) : ______________________________

প্ৰাৰ্থীৰ চহী : ______________________________ নিৰীক্ষকৰ চহী : ______________________________

Facsimile signature stamp of Centre Superintendent ______________________________

পৰীক্ষাৰ্থীয়ে নিম্নলিখিত ভাগৰ প্ৰশ্নবোৰৰ উত্তৰ তেতিয়াহে কৰিব যদি তেওঁলোকে ভাষা—**I** ৰ বিকল্প অসমীয়া লৈছে । →

## খণ্ড—IV : ভাষা—I

### অসমীয়া

*নির্দেশ* : প্রতিটো প্রশ্নৰ তলত দিয়া বিকল্প উত্তৰবোৰৰ মাজৰ পৰা আটাইতকৈ উপযুক্ত উত্তৰটো বাচি লৈ প্রশ্নসমূহৰ (প্রশ্ন নং **91**-ৰ পৰা **105** লৈ) উত্তৰ দিয়া :

**91.** অর্থ নির্ধাৰণ বা Negotiation of Meaning-ৰ জৰিয়তে শিকাৰুৰ কথোপকথনৰ অৰ্হতা বৃদ্ধি পায় বুলি কওঁতে বুজোৱা হয়

(1) শিকাৰুৱে তেওঁলোক পাঠ্যক্রম সম্পর্কে থকা সন্দেহ দূৰ কৰিবলৈ শিক্ষকৰ সৈতে যোগাযোগ কৰা

(2) শিকাৰুৱে শব্দৰ সঠিক অর্থ নির্ধাৰণ কৰি সেইবোৰ ব্যৱহাৰ কৰিবৰ বাবে সঘনাই অভিধান মেলা

(3) বিভিন্ন তথ্যৰ ভাগ-বঁটোৱাৰা কৰা, অতিৰিক্ত স্পষ্টতা বিচৰা আৰু তথ্যবোৰ বোধগম্য হোৱাকৈ Rephrase কৰা

(4) ব্যাকৰণৰ আৰ্হি ব্যৱহাৰ কৰা

**92.** তলত দিয়া ভাষা-দক্ষতাবোৰ আহৰণ কৰা শুদ্ধ ক্রমটো হ'ল

(1) কথন–শ্ৰৱণ–পঠন–লিখন

(2) শ্ৰৱণ–কথন–লিখন–পঠন

(3) শ্ৰৱণ–কথন–পঠন–লিখন

(4) শ্ৰৱণ–পঠন–কথন–লিখন

**93.** ভাষা-শিক্ষা অধিক ফলপ্রসূ হয়, যেতিয়া শিকাৰুৱে শিকাবোৰ

(1) শ্রেণীকোঠাৰ পৰিশীলিত পৰিবেশৰ মাজত শিকে

(2) গঠন আৰু ধ্বনিত তেওঁলোকৰ মাতৃভাষাৰ ওচৰ চপা হয়

(3) তেওঁলোকৰ মহাবিদ্যালয়ত নাম ভর্তিৰ সুযোগ পোৱাত সহায়ক হয়

(4) তেওঁলোকৰ জীৱনৰ লক্ষ্য আৰু আদর্শৰ দিশত কার্যকৰী হয়

**94.** শিৰোনামাৰে সৈতে সম্ভাব্য উত্তৰবোৰ থকা এখন তালিকাৰ পৰা শিকাৰুসকলক নির্ধাৰণ কৰিবলৈ দিয়া হৈছে যে শ্রব্য ৰেকর্ডিং এখন বজোৱাৰ আগত কেনেধৰণৰ তথ্য ইনপুট টেক্সত পোৱা যাব। এই কার্যটোত শিকাৰুসকলে

(1) ইনপুটত পাব পৰা বিষয়বস্তু সম্পর্কে সক্রিয়ভাৱে পূর্বানুমান কৰিছে

(2) যথার্থ তথ্য নিৰীক্ষণ কৰিছে

(3) প্রশ্নবোৰৰ উত্তৰ অনুমান কৰিছে

(4) হেৰোৱা তথ্য পূর্ণ কৰিছে

95. ছাত্ৰ-ছাত্ৰীবোৰে এনেয়ে কথা পতাৰ নামত কথা পাতি থাকিবলৈ পালে ভাল পায়। এই কামটোকে উদ্দেশ্যপূৰ্ণ কৰি তুলিব পৰা যায়

(1) শব্দ-সম্ভাৰৰ বিশেষ তালিকা ব্যৱহাৰৰ বাবে যোগান ধৰি

(2) শুদ্ধ গঠন আৰু উচ্চাৰণৰ ওপৰত গুৰুত্ব দিবলৈ দি

(3) কামটো বন্ধ কৰি দি তেওঁলোকক লিখিবলৈ বা পঢ়িবলৈ দি

(4) শেষত এটা কাম সম্পূৰ্ণ কৰিবলৈ উদগনি দি

96. মানুহৰ চিন্তা আৰু কাৰ্যকৰী কথোপকথন বা ভাব বিনিময়ৰ মাজৰ আৱশ্যকীয় যোগসূত্ৰটো হ'ল

(1) উচ্চাৰণ তথা উচ্চাৰণ-বিভেদ

(2) কেপিটেলাইজেশ্বন আৰু পাংচুৱেশ্বন

(3) উচ্চাৰণ আৰু শ্বাসাঘাত

(4) ব্যাকৰণৰ গাঁথনি

97. শিক্ষকে ব্যাকৰণৰ গঠন আৰু নিয়মাৱলী ভিডিঅ' দেখুৱাই বুজাই দিয়াৰ পাছত ছাত্ৰ-ছাত্ৰীসকলে অধিক ফলপ্ৰদ ভাব প্ৰকাশ বা যোগাযোগৰ বাবে সেয়া লিখোঁতে বা কওঁতে ব্যৱহাৰ কৰিছে। এই প্ৰণালীটো হ'ল

(1) কন্ট্ৰাক্টিভ

(2) ইন্ডাক্টিভ

(3) ডিডাক্টিভ

(4) ৰিডাক্টিভ

98. ছাত্ৰ-ছাত্ৰীৰ উত্তৰ-বহীৰ ভুল শুধৰোৱাৰ আটাইতকৈ ফলপ্ৰসূ উপায় হ'ল শিক্ষকে

(1) ছাত্ৰ-ছাত্ৰীক বেছিকৈ অনুশীলন কৰিবলৈ দিয়াটো

(2) শুদ্ধ উত্তৰটো ব'ৰ্ডত লিখি দিয়াটো

(3) ভুলটো বাৰে বাৰে কৈ দিয়াটো

(4) ভুলবোৰ চিহ্নৰ দ্বাৰা উলিয়াই দি ছাত্ৰ-ছাত্ৰীক নিজেই শুধৰাবলৈ দিয়াটো

99. ছাত্ৰ-ছাত্ৰীয়ে শ্ৰেণীকোঠাৰ বাহিৰত বা ভিতৰত সদায়েই L–1 বা L–3 প্ৰেজেন্টেশ্বন শুনি বুজি পোৱাত টান পাইছে। এই সমস্যাটো সমাধান কৰিবৰ বাবে

(1) নিৰ্দিষ্ট ভাষাটো কোৱা লোকৰ দ্বাৰা শিকোৱাব লাগে

(2) L–1 বা L–3-ৰ শ্ৰেণীৰ সংখ্যা বঢ়াই দিব লাগে

(3) নিৰ্দিষ্ট ভাষাটোৰ ব্যৱহাৰ অধিক কৰি অনুশীলন কৰোৱাব লাগে

(4) তেওঁলোকৰ L–1-ৰ ওচৰ চপা অন্য এটা ভাষা বাচি ল'ব লাগে

100. পঠন কাৰ্যৰ সময়ত ছাত্ৰ-ছাত্ৰীয়ে যেতিয়া বুজি নোপোৱা শব্দ পায়, তেতিয়া সম্পূৰ্ণ পাঠটো বুজি পাবৰ বাবে

(1) বেছি সহজ পাঠ এটা বাছি ল'ব লাগে

(2) তেওঁলোকক লগে লগেই অভিধান মেলিবলৈ শিকাব লাগে

(3) শিক্ষকক বা ওচৰ চুবুৰীয়াক সুধিবলৈ ক'ব লাগে

(4) বিষয়টোৰ প্ৰসংগত থকা তথ্যখিনি ব্যৱহাৰ কৰি অৰ্থটো সম্পৰ্কে সঠিককৈ এটা মোটামুটি ধাৰণা কৰি ল'বলৈ শিকাব লাগে

101. বুজি পাই কৰা কম্‌প্ৰিহেন্‌শনৰ সৰ্বোচ্চ মাত্ৰা তলৰ কোনটোৱে নিৰ্দেশ কৰে?

(1) ছাত্ৰ-ছাত্ৰীৰ নিজৰ শব্দ ব্যৱহাৰ কৰি পুনৰ লিখন কৰা, পাঠটোৰ পৰাই কীৱ'ৰ্ড আৰু সম্পূৰ্ণ বাক্য লৈ ব্যৱহাৰ কৰা আৰু পাঠটোৰ ভিতৰতে বেলেগ বেলেগ অৰ্থ নিৰ্ণয় কৰা

(2) পাঠটোৰ পৰা পইন্ট আৰু কীব'ৰ্ড লিখি লোৱা পাঠটোৰ বেলেগ বেলেগ অৰ্থ নিৰ্ণয় কৰা

(3) ছাত্ৰ-ছাত্ৰীৰ নিজৰ শব্দ তথা কীব'ৰ্ড ব্যৱহাৰ কৰি পুনৰ লিখন কৰা

(4) ছাত্ৰ-ছাত্ৰীৰ নিজৰ শব্দ ব্যৱহাৰ কৰি পুনৰ লিখন কৰা, পাঠটোৰ পৰাই সম্পূৰ্ণ বাক্য লৈ ব্যৱহাৰ কৰা আৰু পাঠটোৰ ভিতৰতে বেলেগ বেলেগ অৰ্থ নিৰ্ণয় কৰা

102. লেখনী এটাৰ মূল্যায়ন কৰোঁতে প্ৰথম দিশটো হ'ল

(1) ব্যাকৰণৰ গাঁথনি

(2) শব্দৰ সীমা

(3) বিষয়বস্তুৰ প্ৰাসংগিকতা আৰু ই প্ৰেৰণ কৰিব পৰা বাণী

(4) শব্দ-সম্ভাৰৰ প্ৰাচুৰ্য

103. ভাষা এটা শিকোঁতে —— নিৰ্দেশাৱলীয়ে স্বকীয় পঠনৰ সুযোগ দিয়ে, প্ৰাসংগিক সূত্ৰ আদিৰ বিস্তৃত পৰিসৰ এটা দিয়ে আৰু ফল সম্পৰ্কে তাৎক্ষণিক ফীডবেক কামৰ দ্বাৰা দিয়ে।

(1) ডিছটেন্‌ছ

(2) প্ৰ'গ্ৰেমড

(3) কম্পিউটাৰ এইডেড

(4) ডাইৰেক্ট

104. দ্বি-ভাষিক শ্ৰেণীকোঠা এটা, য'ত নিজৰ ভাষা কোৱা আৰু নিৰ্দিষ্ট লক্ষ্য-ভাষা কোৱা ছাত্ৰ-ছাত্ৰী মিহলি হৈ থাকে, তেনে শ্ৰেণীকোঠা এটা সুবিধাদায়ক হোৱাৰ কাৰণ হ'ল

(1) ছাত্ৰ-ছাত্ৰীয়ে কম কথা পাতে বাবে মনোযোগ বেছি থাকে

(2) লক্ষ্য-ভাষা কোৱা ছাত্ৰ-ছাত্ৰীক আৰু এটা ভাষা শিকিবলৈ উদগনি দিয়া হয়

(3) সুকীয়া সুকীয়া প্ৰকল্পৰ সুযোগ পোৱা যায়

(4) দুয়োটা ভাষাতে বেছি কাম কৰাৰ নাৰ্যতা থাকে

105. শিক্ষাৰ্থীয়ে শিকা ভাষাটোৰ জ্ঞান প্ৰয়োগ কৰিব পৰা নাই। উদাহৰণস্বৰূপে, শব্দ প্ৰয়োগত অসুবিধা পাইছে, ভালদৰে অনুবাদ কৰিব পৰা নাই। এনে ক্ষেত্ৰত সম্ভাব্য সমাধানটো হ'ল

(1) আত্মবিশ্বাস বঢ়াবৰ বাবে সহজ কাম দিয়া

(2) শিক্ষাৰ্থীগৰাকীক অধিক পাৰদৰ্শী শিক্ষাৰ্থীৰ লগত বহিবলৈ দিয়া

(3) সাৱধানে প্ৰস্তুত কৰা Simpler-simple-complex Assignment দিয়া

(4) শিক্ষাৰ্থীগৰাকীক ভাষা প্ৰয়োগৰ কামটোৰ বাবে অধিক সময়ৰ অনুমতি দিয়া

*নির্দেশ* : তলৰ পৰিচ্ছেদটো ভালদৰে পঢ়া। পৰিচ্ছেদটোৰ শেষত নটা প্ৰশ্ন (প্ৰশ্ন নং **106**-ৰ পৰা **114** লৈ) আৰু প্ৰতিটো প্ৰশ্নৰ তলত চাৰিটাকৈ বিকল্প উত্তৰ দিয়া আছে। তাৰ পৰা আটাইতকৈ উপযুক্ত উত্তৰটো চিহ্নিত কৰি প্ৰশ্নবোৰৰ উত্তৰ কৰা :

আমাৰ বাসভূমিৰ চাৰিওফালৰ অৱস্থাকেই পৰিবেশ বুলিব পাৰি। আমাৰ এই পৰিবেশ বিভিন্ন উপাদানেৰে গঠিত। সেই উপাদানসমূহক দুটা ভাগত ভগাব পাৰি। কিছুমান অকৃত্ৰিম প্ৰাকৃতিক উপাদান, আন কিছুমান সেই অকৃত্ৰিম প্ৰাকৃতিক উপাদানৰ বুকুতে উদ্ভূত হোৱা। এই অকৃত্ৰিম প্ৰাকৃতিক উপাদানসমূহ হ'ল—মাটি, পানী, বায়ু আৰু এইবোৰৰ পৰা উৎপন্ন হোৱা বা উদ্ভূত গৌণ উপাদানসমূহ হ'ল—গছ-লতা, চৰাই-চিৰিকতি আদি। এই সকলোবোৰকে সহজ অৰ্থত পৰিবেশ বোলা হয়। মানৱজাতি সুস্থ জীৱন বিকাশৰ বাবে পৰিবেশৰ ওপৰতে সম্পূৰ্ণ নিৰ্ভৰশীল। প্ৰকৃতিৰ এই তিনিটা অতি প্ৰয়োজনীয় উপাদান আৰু তাৰ ওপৰতো ৰ্বৰ্তি থকা জীৱ-জগতো প্ৰকৃতিৰে এক অবিচ্ছেদ্য অংশ। বৰ্তমান বৈজ্ঞানিক দৃষ্টিকোণৰ পৰা পৰিবেশ-সম্পৰ্কীয় বিভিন্ন আলোচনা হৈছে, প্ৰাকৃতিক পৰিবেশক সুস্থ কৰি ৰখাত চৰকাৰে যথেষ্ট গুৰুত্ব আৰোপ কৰিছে। অকণমান গভীৰভাৱে ভাবি চালে দেখা যায় যে প্ৰচীন কালৰে পৰা মানৱজাতিয়ে পৰিবেশক গভীৰ শ্ৰদ্ধা কৰি তথা গুৰুত্ব দি আহিছে। গছ পূজা, অগ্নি পূজা, জল দেৱতা পূজা, ধৰিত্ৰী পূজা আৰু বিভিন্ন জীৱ-জন্তু পূজা আদি তেওঁলোকৰ দৈনন্দিন জীৱনৰ অপৰিহাৰ্য অংগ স্বৰূপ আছিল। মানৱসমাজে জীৱন নিৰ্বাহৰ বাবে প্ৰকৃতিৰ পৰাই প্ৰয়োজনীয় সা-সুবিধাবোৰ গ্ৰহণ কৰে। গতিকে এনে উপকাৰী সুহৃদৰ প্ৰতি মানৱসমাজৰ ভালেখিনি কৰিবলগীয়া আছে।

এসময়ত বায়ুমণ্ডলৰ প্ৰাণদায়িনী অক্সিজেন, জীৱনীশক্তি-স্বৰূপা পানী আৰু শক্তি বৃদ্ধিকাৰক খাদ্য আছিল বিশুদ্ধ আৰু সতেজ। তেতিয়া মানুহে সম্পূৰ্ণৰূপে প্ৰকৃতিৰ ওপৰতেই নিৰ্ভৰ কৰি চলিছিল। কিন্তু মানুহে নিজৰ সুবিধাৰ বাবে মাতৃ-স্বৰূপিণী প্ৰাকৃতিক পৰিবেশক বিনষ্ট কৰিবলৈ কুণ্ঠিত হোৱা নাই। সঁচা কথা ক'বলৈ হ'লে মানৱ সভ্যতাৰ ইতিহাসেই হ'ল পৰিবেশ প্ৰদূষণৰ ইতিহাস। বিজ্ঞানৰ জয়যাত্ৰাৰ ফলশ্ৰুতিত পৃথিৱীৰ বুকুত ৰচিত হ'ল যান্ত্ৰিকতা। দৰাচলতে আদিমকালত জুইৰ আৱিষ্কাৰৰ সময়ৰ পৰাই প্ৰাণদায়িনী অক্সিজেন তথা বায়ুমণ্ডলৰ ক্ষয়ৰ আৰম্ভণি হয়। উদ্ভিদ জগতৰ সৈতে প্ৰাণীজগতৰ এক গভীৰ সম্পৰ্ক আছে। এটাই আনটোৰ পৰিপূৰক। প্ৰকৃতিৰ ভাৰসাম্য ৰক্ষাৰ বাবে প্ৰাণীজগত এটা আনটোৰ ওপৰত নিৰ্ভৰশীল। গছ-গছনিয়ে নিজৰ কাৰণে জীৱৰ ক্ষতিকাৰক কাৰ্বন-ডাইঅক্সাইড বায়ুমণ্ডলৰ পৰা শুহি লয় আৰু নিজক নলগা অক্সিজেন এৰি দিয়ে জীৱৰ হিতৰ কাৰণে। কিন্তু মানৱজাতিয়ে নিজৰ স্বাৰ্থৰ কাৰণে এই গছ-গছনি কাটি, ধ্বংস কৰি আওপকীয়াকৈ নিজেই হাতৰ কুঠাৰ ভৰিত মাৰিছে। সেয়েহে কোৱা হয়, 'গছ থাকিলেহে মানুহ থাকিব'; আমাৰ পুৰাণ পুথিতো আছে, 'এক বৃক্ষ শত পুত্ৰ সম'। বোধ কৰোঁ এনেধৰণৰ কাৰণতেই ডাকৰ বচনত কোৱা হৈছে, 'বৃক্ষ ৰোপণত অধিক ধৰ্ম'।

বৰ্তমান যুগক পাৰমাণৱিক যুগ হিচাপে ঠাৱৰ কৰিব পাৰি। আচলতে দ্বিতীয় মহাসমৰৰ পাছৰ পৰাই পাৰমাণৱিক যুগৰ সূত্ৰপাত। আমি জানো যে সভ্যতাৰ লগত কাঠকয়লা, তেল-গেছ আদি দহনৰ সম্বন্ধ ওতপ্ৰোত। এই দহনৰ ফলত বায়ুমণ্ডল দূষিত হয়। কিন্তু ইয়াতকৈ বহুগুণে দূষিত হয় পাৰমাণৱিক ক্ৰিয়াকলাপত। পাৰমাণৱিক বোমা বৰ্ষণৰ ফলত জাপানৰ হিৰোচিমা আৰু নাগাচাকি নগৰ দুখন ধ্বংসস্তূপত পৰিণত হৈছিল। কিন্তু ইয়াৰ প্ৰতিক্ৰিয়া কেৱল তাতেই সীমাবদ্ধ নাথাকি সমস্ত ভূ-মণ্ডললৈ বিয়পি পৰিছে। তাৰ উপৰি বোমা বৰ্ষণৰ বহু বছৰ পিছলৈকে আনকি বৰ্তমানলৈ ভূ-মণ্ডলৰ বায়ুত তাৰ তেজস্ক্ৰিয় বিকিৰণ হৈ আছে। সেয়ে জীৱ-জগতৰ প্ৰভূত ক্ষতিসাধন কৰিছে। ইয়াৰ উপৰিও পৰীক্ষামূলকভাৱে কৰা পাৰমাণৱিক বোমা বিস্ফোৰণৰ জৰিয়তেই বায়ুমণ্ডল দূষিত হৈছে। ঠিক সেইদৰে ভূপালৰ ৰাসায়নিক গেছ দুৰ্ঘটনাত বহুতো মানুহ আৰু জীৱ-জন্তুৰ অকালতে মৃত্যু হৈছিল আৰু বহুতে বৰ্তমানলৈকে তাৰ নানা প্ৰতিক্ৰিয়াজনিত ৰোগত ভুগিয়েই আছে। বিশ্ববিখ্যাত তাজমহলো আজি প্ৰদূষণৰ গৰাহত পৰি ধ্বংস হোৱাৰ পথত।

দ্ৰুতগতিত হোৱা জনবিস্ফোৰণৰ ফলস্বৰূপে গাঁও-নগৰ স্থাপনৰ নামত মানুহে প্ৰকৃতিৰ বুকুত ধ্বংসলীলা অব্যাহত ৰাখিছে। এহাতে বিজ্ঞানৰ আশীৰ্বাদত আৰু আন হাতে নাগৰিক সভ্যতাৰ সম্প্ৰসাৰণৰ ফলত অৰণ্যভূমি ধ্বংস হৈ আহিছে, আৰু তাৰ বাবে পৰিবেশ প্ৰদূষিত হৈছে।

কলকাৰখানা, ৰেল-মটৰ, জাহাজ আদিৰ বিষাক্ত ধোঁৱা, জুই-ছাই আদিৰ বাবেও পৰিবেশ দূষিত হৈছে। মানৱৰ স্বাৰ্থপৰতা, অজ্ঞতা আৰু অদূৰদৰ্শিতাৰ বাবেও নানান জীৱ-জন্তু আৰু বনাঞ্চল ধ্বংস হৈ আছে।

বায়ুমণ্ডলৰ ঊৰ্দ্ধভাগত ক্ৰমাগতভাৱে ৰকেট নিক্ষেপণ, মহাকাশ অভিযান, উপগ্ৰহ নিক্ষেপণ, বিমান চলাচল আদিৰ ফলত মহামূল্যবান 'অ'জোন গেছ'ৰ সমতা নাইকিয়া হৈছে। তদুপৰি ৰিফ্ৰিজাৰেটৰ ঘৰে ঘৰে হৈ পৰাৰ ফলতো ইয়াৰ দ্ৰুত অৱক্ষয় হৈছে। যাৰ ফলত সূৰ্যৰ অপকাৰী তীক্ষ্ণ 'আল্ট্ৰাভায়োলেট' ৰশ্মি অবাধে ভূ-পৃষ্ঠলৈ বিকিৰণ হৈ উদ্ভিদ আৰু প্ৰাণীজগত উভয়ৰ বাবে সংকট সৃষ্টি কৰিছে। পৰিবেশ সম্পৰ্কত সকলোতকৈ চিন্তনীয় বিষয় হৈছে ক্ৰমান্বয়ে বাঢ়ি অহা পৃথিৱীৰ উত্তাপ। এই বাঢ়ি অহা উত্তাপ হয়তো এদিন পৃথিৱী ধ্বংসৰ অন্যতম কাৰণ হিচাপে পৰিগণিত হ'ব।

**106.** আমাৰ পৰিবেশৰ উপাদানসমূহ দুটা ভাগত ভগাব পৰা যায়। ভাগ দুটা হৈছে

(1) জীৱ-জন্তু আদি আৰু গছ-লতা, বননি আদি

(2) অকৃত্ৰিম প্ৰাকৃতিক উপাদান আৰু সেই প্ৰাকৃতিক উপাদানৰ বুকুতে উদ্ভূত হোৱা গৌণ উপাদান

(3) স্থলভাগৰ উপাদান আৰু জলভাগৰ উপাদান

(4) প্ৰাকৃতিক উপাদান আৰু কৃত্ৰিম উপাদান

**107.** বিজ্ঞানৰ জয়যাত্ৰাৰ ফলশ্ৰুতিত পৃথিৱীৰ বুকুত ৰচিত হ'ল

(1) মানুহৰ বিলাসিতা

(2) প্ৰদূষণ

(3) মানৱ সভ্যতা

(4) যান্ত্ৰিকতা

**108.** প্ৰাচীনকালত মানৱজাতিয়ে পৰিবেশক গভীৰ শ্ৰদ্ধা কৰি তথা গুৰুত্ব দি কৰা পূজাবোৰৰ ভিতৰত এটা আছিল

(1) গছ পূজা

(2) দুৰ্গা পূজা

(3) বিষ্ণু পূজা

(4) সৰস্বতী পূজা

**109.** সঁচা কথা ক'বলৈ হ'লে মানৱ সভ্যতাৰ ইতিহাসেই হ'ল —— ইতিহাস।

(1) শিক্ষা আৰু বিজ্ঞানৰ

(2) বিজ্ঞানৰ জয়যাত্ৰাৰ

(3) যান্ত্ৰিকতাৰ

(4) পৰিবেশ প্ৰদূষণৰ

**110.** মানৱসমাজৰ উপকাৰী সুহৃদ কোন?

(1) বিজ্ঞান

(2) বৰষুণ

(3) প্ৰকৃতি

(4) পানী

**111.** পাৰমাণৱিক যুগৰ সূত্ৰপাত হৈছিল

(1) পাৰমাণৱিক অস্ত্ৰৰ আৱিষ্কাৰৰ লগে লগে

(2) দ্বিতীয় মহাসমৰৰ পাছৰ পৰাই

(3) প্ৰথম মহাসমৰৰ পাছৰ পৰাই

(4) আগ্নেয়াস্ত্ৰ আৱিষ্কাৰৰ লগে লগে

**112.** বায়ুমণ্ডলৰ উৰ্দ্ধভাগত ক্ৰমাগতভাৱে ৰকেট নিক্ষেপণ, মহাকাশ অভিযান, উপগ্ৰহ নিক্ষেপণ, বিমান চলাচল আদিৰ ফলত কি হৈছে?

(1) মানৱসমাজৰ বাবে ভাবুকিৰ সৃষ্টি হৈছে

(2) বায়ু প্ৰদূষণ হৈছে

(3) বিজ্ঞানৰ উন্নতি অধিক হৈছে

(4) অ'জোন গেছৰ সমতা নাইকিয়া হৈছে

**113.** আল্ট্ৰাভায়োলেট ৰশ্মি কি?

(1) চকুৰ ৰশ্মিত ব্যাঘাত সৃষ্টি কৰা এবিধ ৰশ্মি

(2) সূৰ্যৰ এবিধ অপকাৰী ৰশ্মি

(3) শৰীৰৰ ৰং কলা কৰা এবিধ ৰশ্মি

(4) ৰোগৰ সৃষ্টি কৰা এবিধ ৰশ্মি

**114.** জাপানৰ হিৰোচিমা আৰু নাগাচাকি নগৰ দুখন ধ্বংস হৈছিল

(1) আমেৰিকা যুক্তৰাষ্ট্ৰৰ ভুল সিদ্ধান্তৰ ফলত

(2) প্ৰথম বিশ্বযুদ্ধৰ ফলত

(3) দ্বিতীয় বিশ্বযুদ্ধৰ ফলত

(4) পাৰমাণৱিক বোমা বৰ্ষণৰ ফলত

***নিৰ্দেশ*** : নিম্নোক্ত কবিতাটো ভালদৰে পঢ়া। কবিতাটোৰ তলত ছয়টা প্ৰশ্ন (প্ৰশ্ন নং **115**-ৰ পৰা **120** লৈ) আৰু প্ৰতিটো প্ৰশ্নৰে চাৰিটাকৈ বিকল্প উত্তৰ দিয়া হৈছে। তাৰ পৰা আটাইতকৈ উপযুক্ত উত্তৰটো চিহ্নিত কৰি প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়া :

## সুখ

সুখ সুখ বুলি মানুহ বলিয়া
নেদেখে সুখৰ মুখ;
সুখ বিচাৰোঁতে পায় সংসাৰত
দুখৰ উপৰি দুখ।
দেখিও নেদেখা কিয় দিন-কণা
সুখযে হাততে আছে;
যিটে' দিব পাৰে স্বাৰ্থ-বলিদান,
সুখ ফুৰে পাছে পাছে।
অকল নিজৰ নিমিত্তে নহয়
আমাৰ জীৱন ভাই,
পৰৰ কাৰণে খাটিব পাৰিলে
সংসাৰ সুখৰ ঠাই।
পৰৰ অভাৱ, পৰৰ দুখত
হিয়া যদি পমি যায়,
পৰক আপোন কৰিব পাৰিলে
সংসাৰত দুখ নাই।
শক্তি-সামৰথ পৰৰ সুখত
বিলাব পাৰিলে ভাই,
পৰৰ কাৰণে কান্দিব জানিলে
কান্দনতো সুখ পায়।
সকলো আপোন যত নৰ-নাৰী;
কাকনো বুলিম পৰ?
পৰমপিতাৰ সকলো সন্তান
পৃথিৱী আমাৰ ঘৰ।
গাই-গোটা-পেটে-ভঁৰাল নহ'বাঁ,
লোকৰ দুখলৈ চোৱাঁ,
মানুহৰ সেৱা, মানুহৰ পূজা,
পৱিত্ৰ বৰত লোৱাঁ।
'মই' 'মোৰ' ভাবে তললৈ নমাব
নাপাবা ৰক্ষাৰ তৰী।

সুখৰ দুখৰ মনেই কাৰণ
মনক কৰিবাঁ থিত;
ত্যাগত লভিবা পৰম সন্তোষ,
সাধিবা লোকৰ হিত।

স্বাৰ্থৰ বাটত দুখৰ কাঁইট,
খোজে পতি বিন্ধে হুলে,
স্বাৰ্থৰ বাট, সেন্দুৰীয়া আলি,
সুগন্ধি কুসুম ফুলে।
যথাৰ্থ নিস্বাৰ্থ ধৰমী জীৱন,
বিশ্ব-প্ৰেমে ভৰ-পূৰ,
বিশ্বৰ সকলো ভাই-ভনী তাৰ,
সুখৰ নপৰে ওৰ।

**115.** সংসাৰ কেতিয়া সুখৰ ঠাই হৈ পৰিব পাৰে ?

(1) নিজতকৈ দুখী মানুহ দেখি থাকিলে

(2) সুখ বিচাৰি ফুৰিলে

(3) পৰ্যাপ্ত পৰিমাণে ধন আৰ্জিব পাৰিলে

(4) পৰৰ কাৰণে খাটিব পাৰিলে

**116.** কবিৰ মতে কি ব্ৰত লোৱা উচিত ?

(1) দয়া আৰু পৰোপকাৰ

(2) ধৈৰ্য আৰু সততা

(3) সম্পদ বিতৰণ

(4) মানৱ সেৱা আৰু মানৱ পূজা

**117.** সুখ কাৰ পাছে পাছে ফুৰে ?

(1) যাৰ ওচৰত ধন-সম্পদ আছে

(2) যিজনে দান কৰিব পাৰে

(3) যাৰ ওচৰত স্বাস্থ্য আৰু ধন আছে

(4) যিজনে স্বাৰ্থ বলিদান দিব পাৰে

**118.** সুখ-দুখৰ মূল কাৰণ প্ৰকৃততে কি ?

(1) পৰিয়াল

(2) মন

(3) স্বাস্থ্য

(4) ধন

**119.** পৰক আপোন কৰিব পাৰিলে সংসাৰত

(1) দুখ নথকা হ'ব

(2) নিজৰ পৰিয়ালৰ বেলেগকৈ প্ৰয়োজন নোহোৱা হ'ব

(3) মৈত্ৰীভাৱ বৃদ্ধি পাব

(4) কোনোৱে অকলশৰীয়া অনুভৱ নকৰিব

**120.** পৰৰ কাৰণে কান্দিব জানিলে কি হয় ?

(1) পৰো আপোন হৈ পৰে

(2) কান্দোনতো সুখ পোৱা যায়

(3) নিজৰ দুখ দূৰ হয়

(4) মানুহ মহান হয়

পৰীক্ষাৰ্থীয়ে নিম্নলিখিত ভাগৰ প্ৰশ্নবোৰৰ উত্তৰ তেতিয়াহে কৰিব যদি তেওঁলোকে ভাষা—**II**ৰ বিকল্প অসমীয়া লৈছে। →

## খণ্ড—V : ভাষা—II

### অসমীয়া

*নির্দেশ* : প্রতিটো প্রশ্নৰ তলত দিয়া বিকল্প উত্তৰবোৰৰ মাজৰ পৰা আটাইতকৈ উপযুক্ত উত্তৰটো বাচি লৈ প্রশ্নসমূহৰ (প্রশ্ন নং **121**-ৰ পৰা **135** লৈ) উত্তৰ দিয়া :

**121.** শিকাৰুসকলক নিজৰ নিজৰ ভাষাৰ 'নির্মাণকর্তা'ৰূপে দেখা যায়। এই কথা ভাষা শিক্ষাৰ শ্ৰেণী এটাত জানিব পৰা যাব

(1) শিক্ষকে প্রত্যেকৰে প্রকল্প (Project) ভালদৰে নিৰীক্ষণ কৰি কার্যপ্রগতি সম্পর্কে নিয়মীয়া ফীডবেক যোগান কৰি

(2) শিকাৰুসকলক লক্ষ্য-ভাষাটোত বিস্তৃত অধ্যয়ন কৰিবলৈ উৎসাহিত কৰি

(3) শিক্ষাৰ্থীৰ শিকন ক্ষমতাক নির্দিষ্ট কৰি শিক্ষণ সঁজুলিৰ যোগান ধৰি

(4) যিবোৰ একক আৰু যৌথ কাৰ্যই শিক্ষাৰ প্রক্রিয়াটোত আদান-প্রদানৰ সহযোগিতা তথা অৰিহণা যোগাবৰ সুযোগ দিয়ে, তেনেবোৰ কার্যক উদগনি দিয়া

**122.** শিক্ষকে শিকাৰুসকলক লক্ষ্য-ভাষাটোত কথোপকথন কৰাত সহজ আৰু সুচল অনুভৱ কৰাৰ পৰিবেশ সৃষ্টি কৰিব পাৰে ।

(1) দৃশ্যৰ দ্বাৰা

(2) শিকাৰুসকলে যি ভাষাতে কথা পাতিবলৈ সহজ পায় সেই ভাষাতে কথা পাতিবলৈ দি

(3) বাক্য গঠনৰ আৰ্হি দেখুৱাই দি শ্রেণীকোঠাৰ সাধাৰণ কথোপকথনৰ সময়ত সেইবোৰৰ ব্যৱহাৰ কৰাত গুৰুত্ব আৰোপ কৰি

(4) নিয়মীয়া লিখিত আৰু কথনৰ মূল্যাংকনৰ দ্বাৰা

**123.** আমি স্বাভাৱিকভাৱে এটা ভাষা শিকোঁতে

(1) ফলপ্রসূ যোগাযোগত বা ভাব বিনিময়ত গুৰুত্ব দিওঁ

(2) ভাষাটো আমি কেনেকৈ কৈছো তাতকৈ কি ক'ব বা বুজাব বিচাৰিছোঁ, সেইটোত গুৰুত্ব দিওঁ

(3) পিতৃ-মাতৃৰ কথা শুনো

(4) নিজে পঢ়ি শিকা শব্দ-সম্ভাৰ ব্যৱহাৰ কৰি শিকো

**124.** যি পদ্ধতিত শিকাৰুক অডিঅ' ইনপুটৰ ভিত্তি কৰি বিশেষ টোকা ৰাখিবলৈ দিয়া হয়, সেই পদ্ধতিটোক বা কার্যটোক —— বুলি কোৱা হয়।

(1) অর্থানুমান

(2) তথ্য স্থানান্তৰকৰণ

(3) পূৰ্বানুমান

(4) স্মৰণ

**125.** তলত দিয়া প্রশ্নবোৰ শ্রেণীকোঠাত শিক্ষার্থীৰ কেনেধৰণৰ দক্ষতাৰ অনুশীলনৰ বাবে উপযোগী ?

- তোমাৰ জেপ-খৰছেৰে যোৱা সপ্তাহত তুমি কি কিনিলা ?
- তোমাৰ গাঁও/চহৰখন কিহৰ কাৰণে বিখ্যাত ?
- ঘৰত ঘৰুৱা কামত সহায় কৰিবলৈ তুমি কি কৰা ?
- তোমাৰ অৱসৰ বিনোদনৰ দুখাৰমান কোৱা ।

(1) শব্দ-সম্ভাৰ

(2) কথোপকথন

(3) লিখন

(4) শ্রৱণ

**126.** শিক্ষার্থীয়ে ব্যাকৰণ আৰু ভাষাৰ আৰ্হিৰ সম্বন্ধৰ বিষয়ে অধ্যয়ন কৰি জানিব পাৰে যে

(1) ব্যাকৰণ শিকাৰ ক্ষেত্ৰত আটাইতকৈ বেছি গুৰুত্ব দিব লাগে

(2) ভাষাৰ মৌলিক আদান-প্রদানৰ বাবে ব্যাকৰণ অপৰিহাৰ্য

(3) লিখনশৈলী ব্যাকৰণৰ দ্বাৰা প্ৰভাৱান্বিত হয়

(4) আদান-প্রদানৰ প্রক্রিয়াত ইয়াৰ উদ্দেশ্য আৰু প্রক্রিয়াটোত তেওঁলোকৰ শিল্পীসুলভ পাৰদৰ্শিতাৰ উন্নতকৰণত ইয়াৰ ভূমিকা আছে

**127.** বহুতো শিক্ষাৰ্থীৰ বাবে লিখাটো এক জটিল আৰু প্ৰত্যাহ্বানমূলক কাৰ্য। সেয়েহে শিক্ষকে প্ৰথম মনোযোগ দিব লাগে

(1) অৰ্থবহ ভাবৰ স্পষ্ট আদান-প্ৰদানৰ বাবে প্ৰয়োজনীয় ব্যাকৰণৰ ধাৰণা শিকোৱাত

(2) ব্যাকৰণৰ গাঁথনিৰ অনুশীলন কৰাত

(3) ব্যাকৰণৰ শুদ্ধতাতকৈ নিৰ্দিষ্ট ভাষাটো ব্যৱহাৰ কৰাত শিক্ষাৰ্থীৰ আত্মবিশ্বাস গঢ়ি তোলাত

(4) কেৱল সহজ কাম আৰু সামান্য ব্যাকৰণৰ অনুশীলন কৰিবলৈ দিয়াত

**128.** ব্যাকৰণৰ নিৰ্দেশ আটাইতকৈ স্বাভাৱিকভাৱে সংহত হয়, যেতিয়া

(1) শিক্ষকে সঘনাই, কিন্তু চমু ব্যাকৰণৰ শ্ৰেণী লোৱাৰ ব্যৱস্থা কৰে

(2) শিক্ষাৰ্থীয়ে নিজেই নিজৰ লেখনী বা বক্তৃতা পুনৰ পঠন কৰি ভুলবোৰ শুধৰায়

(3) শিক্ষকে কেৱল বিশেষ পৃথক দক্ষতাৰ বিষয়েহে পঢ়ুৱায়

(4) আনুষ্ঠানিক লিখন বা কথনৰ আগতে ব্যাকৰণৰ অনুশীলনত অধিক সময় দিয়া হয়

**129.** ভাষা-সম্বন্ধীয় সমস্যাৰ সাধাৰণ পৰিচালনাৰ ক্ষেত্ৰত ভাষা শিকাৰ শৈলীয়ে সহায় কৰে। শিকা শৈলীৰ এটা উদাহৰণ হ'ল

(1) কেন্দ্ৰীভূত মনোযোগ

(2) কোলাহলপূৰ্ণ

(3) শান্ত

(4) ছপা মাধ্যমভিত্তিক

**130.** 'গছ' শীৰ্ষ বিষয়েৰে এটা শ্ৰেণী আৰম্ভ হৈছে। শিক্ষকে এই বিষয়ে অভিজ্ঞতামূলক প্ৰশ্ন সুধি শিক্ষাৰ্থীসকলক কেইবাটাও গোটত ভাগ কৰি দিছে আৰু তাৰ পাছত তেওঁলোকক জলকীয়া গছৰ ছবি আঁকি লেবেল লগাবলৈ দিছে। অৱশেষত প্ৰতিটো গোটৰে এজনকৈ প্ৰতিনিধিয়ে নিজৰ নিজৰ ছবিবোৰ বৰ্ণনা কৰিবলগীয়া হৈছে। এই শ্ৰেণীটোত শিক্ষাৰ্থীসকলে

(1) গছজোপাৰ বিষয়ে জ্ঞানৰ লগতে ইয়াৰ ছবি আঁকিবলৈ আৰু লেবেল লগাবলৈ শিকিলে

(2) বিষয়বস্তু এটা বৰ্ণনা কৰিবলৈ ভাষাৰ বিশেষ ভংগি এটা ব্যৱহাৰ কৰিবলৈ শিকিলে

(3) কেৱল (1)

(4) (1) আৰু (2) দুয়োটাই

**131.** কবিতাৰ পাঠ বাস্তৱভিত্তিক গদ্যৰ পাঠতকৈ বেলেগ হয়। কাৰণ কবিতা এটা পাঠ কৰোঁতে শিক্ষাৰ্থীজনে

(1) কবিতাটোৰ শৈলীক অধিক প্ৰশংসা কৰি কবিৰ বাৰ্তা বা কবিতাটোৰ অন্তৰ্নিহিত বাণীটোৰ মূল্যায়ন কৰিবলগীয়া হয়

(2) অধিক বৌদ্ধিক অৰ্থোদ্ধাৰ কৰিবলগীয়া হয়

(3) কবিতাটোৰ অন্তৰ্নিহিত বাণীটোৰ কেৱল মনোগত অৰ্থোদ্ধাৰত আৱেগিক সঁহাৰি দিবলগীয়া হয়

(4) কবিতাটোৰ অন্তৰ্নিহিত বাণীটোৰ মূল্যায়ন কৰিব পৰাকৈ অধিক বৌদ্ধিক অৰ্থোদ্ধাৰ কৰিবলগীয়া হয় আৰু লগতে আৱেগিক প্ৰতিক্ৰিয়া দেখুৱাবলগীয়া হয়

**132.** প্ৰৱন্ধ এটাৰ মূল্যায়ন কৰোঁতে পুনৰাবৃত্তি নোহোৱাকৈ যিটো অংশত প্ৰৱন্ধটোৰ সাৰাংশ গুৰুত্বপূৰ্ণ তথ্যৰে সৈতে চমুকৈ পোৱা যায়, সেই অংশটো হ'ল

(1) আৰম্ভণি

(2) সামৰণিৰ অংশ

(3) দ্বিতীয় পেৰাগ্ৰাফটো

(4) মাজভাগ

**133.** শ্ৰেণীকোঠাত লক্ষ্য-ভাষাৰ ব্যৱহাৰৰ সময়ত উচ্চাৰণৰ ক্ষেত্ৰত প্ৰযুক্তিবিদ্যাই সহায় কৰিব পাৰে। এই ক্ষেত্ৰত তলৰ কোনটো উদাহৰণ শুদ্ধ নহয়?

(1) পডকাষ্টত বাণীবদ্ধ কৰি শ্ৰৱণ

(2) পাৱাৰ পইন্ট প্ৰেজেন্টেশ্বনৰ মাজত কৰা বৰ্ণনা বা বিৱৰণ

(3) হোৱাইট ব'ৰ্ডৰ ব্যৱহাৰ

(4) ৰ'ল-প্লে

**134.** কেৱল নিজৰ মাতৃভাষা ক'ব জনা ছাত্ৰ-ছাত্ৰীৰ আধিক্য থকা শ্ৰেণীকোঠা এটাত যেতিয়া বিদেশী ভাষা এটা শিকোৱা হয়, সকলো বিষয়-শিক্ষকেই তেতিয়া সজাগ হোৱাটো গুৰুত্বপূৰ্ণ যে ছাত্ৰ-ছাত্ৰীসকলে

(1) নতুন ভাষাটোত দক্ষতা বৃদ্ধি কৰিবৰ বাবে নিজৰ মাতৃভাষাত গান গোৱাটো যাতে এৰাই চলে

(2) নিৰ্দিষ্ট লক্ষ্য-ভাষাটোৰ শিক্ষা আহৰণ কৰিব নোৱাৰিবও পাৰে

(3) বিষয়সূচীত থকা বিষয়বোৰ শিকাৰ লগতে কথা-বাৰ্তাৰ যোগেৰে যাতে নতুন ভাষা এটাও শিকে

(4) সুকীয়া সুকীয়া শ্ৰেণীকোঠা বিচাৰিব

**135.** শব্দ-সম্ভাৰৰ ন্যূনতাৰ বাবে শিক্ষাৰ্থী এগৰাকীয়ে নিজৰ মত স্পষ্টকৈ প্ৰকাশ কৰাত অসুবিধা পালে এই সমস্যাটোৰ সম্ভাব্য সমাধান হ'ব

(1) শ্ৰুতলিপি, শব্দৰ অনুশীলন আদিৰ বিশেষ শ্ৰেণী লোৱাৰ ব্যৱস্থা কৰা

(2) শিক্ষাৰ্থীগৰাকীক বেছিকৈ গল্পপুথি পঢ়িবলৈ উদগনি দি শিক্ষকে অনানুষ্ঠানিকভাৱে শিক্ষাৰ্থীজনে জানিবলৈ পোৱা নতুন শব্দবোৰৰ ফীডবেক লোৱা

(3) শিক্ষাৰ্থীগৰাকীৰ পাৰদৰ্শিতাৰ লগত মিলাকৈ বিষয়বস্তু সলনি কৰা

(4) শিকি ব্যৱহাৰ কৰিবৰ বাবে অৰ্থৰ সৈতে শব্দৰ তালিকা এখন দিয়া

*নিৰ্দেশ* : তলত দিয়া পৰিচ্ছেদটো ভালদৰে পঢ়া। পৰিচ্ছেদটোৰ শেষত নটা প্ৰশ্ন (প্ৰশ্ন নং **136**-ৰ পৰা **144** লৈ) আৰু প্ৰশ্নৰ তলত চাৰিটাকৈ বিকল্প উত্তৰ দিয়া আছে। তাৰ পৰা আটাইতকৈ উপযুক্ত উত্তৰটো বাছি লৈ প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়া :

সভ্যতাৰ আদিম ৰ'দ-কাঁচলিৰ পৰাই মানৱ জাতি জীৱ-জন্তুৰ ওপৰত নিৰ্ভৰশীল হৈ আহিছে। সেই সময়ত মানৱসমাজে জীৱিকানিৰ্বাহৰ বাবে চিকাৰ পদ্ধতি অৱলম্বন কৰিছিল। তেওঁলোকে খাদ্য-বস্তু হিচাপে জীৱ-জন্তুৰ মঙহ আৰু ছাল ব্যৱহাৰ কৰিছিল। অতীজতে জীৱ-জন্তুৰ লগত মানৱসমাজৰ কেনে নিবিড় সম্বন্ধ আছিল তাৰ নিদৰ্শন পোৱা যায় গুহাচিত্ৰ আৰু মঠ-মন্দিৰবোৰত অঁকা চিত্ৰসমূহত। মানুহৰ সান্নিধ্য ভাল পোৱা কুকুৰে যেতিয়া বশ মানি পোহনীয়া হ'বলৈ আৰম্ভ কৰিলে তেতিয়া মানৱ আৰু বন্যজন্তুৰ মাজত সম্পৰ্কৰ এক নতুন দিগন্তৰ সূচনা হ'ল। সেই সম্পৰ্ক আৰু গাঢ় হ'ল গৰু-ম'হ, ঘোঁৰা আদি জন্তুক পোহ মনোৱাৰ জৰিয়তে।

প্ৰথম অৱস্থাত মানুহৰ সংখ্যা সীমিত থকাৰ বাবে বন্যজীৱকুলৰ ওপৰত বৰ হেঁচা পৰা নাছিল, কিন্তু ক্ৰমাৎ এই মানুহৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰাত সি বন্যজগতৰ প্ৰতি ভাবুকি যেন হৈ পৰিছে; কাৰণ মানৱজাতিৰ জনবিস্ফোৰণ আৰু তেওঁলোকৰ প্ৰয়োজনীয়তা যি হাৰত বৃদ্ধি পায়, জীৱ-জন্তুৰ সংখ্যা তেনে হাৰত বৃদ্ধি নাপায়। তাৰ কাৰণ কেইবাটাও। সিংহ, বাঘ আদি কিছুমান মূল্যবান জীৱ-জন্তুৰ জন্ম হাৰ কম আৰু সিহঁতৰ বেমাৰ-আজাৰৰ চিকিৎসাৰ বিশেষ কোনো ব্যৱস্থা নাই। মানুহেও অৰ্থলোভত বা অন্ধবিশ্বাসৰ বলি হৈ সততে বনৰ জীৱ-জন্তু নিধন কৰে। তদুপৰি নগৰীকৰণ, উদ্যোগীকৰণ আৰু কৃষি ভূমিৰ সম্প্ৰসাৰণৰ কাৰণে বন্যজীৱৰ আবাস অঞ্চল ক্ৰমান্বয়ে সংকুচিত হৈ পৰিছে। খৰাং বতৰ আৰু বানপানীৰ নিচিনা প্ৰাকৃতিক দুৰ্যোগ, খাদ্যৰ নাটনি আৰু মানুহৰ আওহেলাৰ কাৰণেও বন্যপ্ৰাণীসমূহ বিলুপ্ত হ'ব ধৰিছে। কথাতে কয়—'হৰিণাৰ মঙহই বৈৰী'। মাংসৰ লোভত হৰিণা, মেথুন, ময়ূৰ আদি মানুহে বিনা বিচাৰে বধ কৰিয়েই আছে। চোৰাং চিকাৰীয়ে খড়গ (খৰ্গ)-ৰ কাৰণে গঁড়, দাঁতৰ বাবে হাতী, ছালৰ কাৰণে বাঘ আদি নিধন কৰি বন্যপ্ৰাণীৰ সংখ্যা হ্ৰাস কৰি আনিছে। কিছুমান জীৱক মানুহে শত্ৰু হিচাপে গণ্য কৰাৰ ফলতে ইতিমধ্যে পৃথিৱীৰ পৰা বহুতো দুৰ্লভ প্ৰাণী

নাইকিয়া হৈছে। গৱেষণাগাৰত নানা ধৰণৰ পৰীক্ষা-নিৰীক্ষা কৰা, খেল দেখুৱাবলৈ জীৱ-জন্তুক ব্যৱহাৰ কৰা, এনেকি কৃত্ৰিম আৰু অস্বাস্থ্যকৰ পৰিবেশত চিৰিয়াখানাত জীৱ-জন্তু ৰখাৰ ফলতো বন্যপ্ৰাণীৰ সংখ্যা হ্ৰাস পাব ধৰিছে। এনে অৱস্থা উপলব্ধি কৰি বন্যপ্ৰাণীক নিৰাপত্তা প্ৰদানৰ আৱশ্যকতা আহি পৰিছে। ফলত পৃথিৱীৰ প্ৰায় সকলো দেশতে বন্যপ্ৰাণী সংৰক্ষণৰ ধাৰণাই জনপ্ৰিয়তা লাভ কৰিছে।

ভাৰত চৰকাৰে ১৯৫৮ চনত 'ভাৰতৰ বন্যপ্ৰাণী সংৰক্ষণ সংস্থা' আৰু ১৯৯৩ চনত অনুষ্ঠিত হোৱা 'পক্ষী সংৰক্ষণ' সন্মিলনে বন্যপ্ৰাণী জগতক ধ্বংসৰ গৰাহৰ পৰা ৰক্ষা কৰিবৰ বাবে আঁচনি হাতত লৈছে। সম্প্ৰতি সমগ্ৰ ভাৰততে বন্যপ্ৰাণী সংৰক্ষণৰ সপক্ষে এক জাগৰণ গঢ়ি উঠা দেখা গৈছে। চৰকাৰী আইন অনুসৰি বৰ্তমান ভাৰতবৰ্ষত থকা সংৰক্ষিত বনাঞ্চল, অভয়াৰণ্য আৰু জাতীয় উদ্যান আদিত বন্যপ্ৰাণী সংৰক্ষণৰ ব্যৱস্থা কৰিছে। এনে অঞ্চলসমূহত বন্যপ্ৰাণী ধৰা বা হত্যা কৰা দণ্ডনীয়।

সংৰক্ষণ বুলিলে প্ৰাকৃতিক পৰিবেশৰ ভাৰসাম্য ৰক্ষা কৰিবলৈ কোনো এবিধ বা ততোধিক প্ৰাণীক ধ্বংসৰ মুখৰ পৰা ৰক্ষা কৰাকে বুজায়। সংৰক্ষণৰ মুখ্য উদ্দেশ্য তিনিটা : এক—বন্যপ্ৰাণীবোৰক নিজা পৰিবেশত স্বাভাৱিক বিকাশ আৰু বিৱৰ্তনৰ ধাৰা অব্যাহত ৰখা, দুই—ইহঁতৰ দ্বাৰা পৰিবেশৰ ভাৰসাম্য স্থিৰ বিন্দুত ৰখা, তিনি—পৰিকল্পিতভাৱে ইহঁতক কামত খটুওৱা।

বন্যপ্ৰাণীসমূহৰ নিৰাপত্তাৰ বাবে সংৰক্ষিত বনাঞ্চল অতি প্ৰয়োজন। কিয়নো কিছুমান নিৰ্দিষ্ট প্ৰাণীৰ কাৰণে যেনেধৰণৰ পৰিবেশ বা আবাসভূমিৰ প্ৰয়োজন, তেনেধৰণৰ সুবিধাজনক ঠাই নাপালে প্ৰাণী লুপ্ত হোৱা স্বাভাৱিক। কেতিয়াবা উপযুক্ত পৰিবেশৰ অন্বেষণত প্ৰাণীসমূহ দিক্‌ভ্ৰষ্ট হৈ জনবসতিপূৰ্ণ অঞ্চলত প্ৰৱেশ কৰি নিজৰ বিপদ মাতি আনে। অৰণ্য আৰু বন্যজীৱসমাজ এটা আনটোৰ লগ এৰাব নোৱাৰা সম্বন্ধ। কিছুমান জন্তু নিৰ্দিষ্ট কিছুমান পৰিবেশতহে দীৰ্ঘজীৱী হয়। ঠিক তেনেদৰে কিছুমান নিৰ্দিষ্ট গছত বাহ সাজে আৰু নিৰ্দিষ্ট গছৰ পৰা আহাৰ আহৰণ কৰে। তেনে গছ কাটিলে পক্ষীৰো বিলুপ্তি ঘটে। গতিকে প্ৰাণী সংৰক্ষণ বুলিলে এনেধৰণৰ বন্যভূমি সংৰক্ষণৰ কথাও আহি পৰে।

**136.** সভ্যতাৰ আদিম কালত মানৱসমাজে জীৱিকানিৰ্বাহৰ বাবে

(1) চিকাৰ পদ্ধতি অৱলম্বন কৰিছিল

(2) কৃষিকাৰ্য কৰিছিল

(3) পৰ্বতৰ গুহাত বাস কৰিছিল

(4) বন্যজন্তু পোহ মনাইছিল

**137.** জন্মৰ হাৰ কোনটো জন্তুৰ কম নহয় ?

(1) হাতী

(2) বাঘ

(3) হৰিণা

(4) সিংহ

**138.** ভাৰতত 'পক্ষী সংৰক্ষণ সন্মিলন' —— চনত অনুষ্ঠিত হৈছিল।

(1) ২০১২

(2) ১৯৫৮

(3) ১৯৬০

(4) ১৯৯৩

**139.** মানুহ আৰু বন্যজন্তুৰ মাজত সম্পৰ্কৰ সূচনা কৰা জন্তুটো আছিল

(1) কুকুৰ

(2) বাঘ

(3) ঘোঁৰা

(4) গৰু

**140.** চিৰিয়াখানাত বন্যজন্তু ৰখাৰ ফলতো বন্যজন্তুৰ সংখ্যা হ্ৰাস পাব পাৰে। ইয়াৰ কাৰণ

(1) চিৰিয়াখানাত জন্তুবোৰে পৰ্যাপ্ত খাদ্য আৰু প্ৰয়োজনীয় চিকিৎসা নাপায়

(2) চিৰিয়াখানাৰ কৰ্তৃপক্ষৰ অৱহেলা

(3) চিৰিয়াখানাৰ কৃত্ৰিম আৰু অস্বাস্থ্যকৰ পৰিবেশ

(4) চিৰিয়াখানাৰ দৰ্শকে প্ৰায়েই জন্তুবোৰক আমনি দিয়ে

**141.** "কিছুমান জন্তু নির্দিষ্ট কিছুমান পৰিবেশতহে দীৰ্ঘজীৱী হয়। ঠিক তেনেদৰে কিছুমান নির্দিষ্ট গছত বাহ সাজে আৰু নির্দিষ্ট গছৰ পৰা আহাৰ আহৰণ কৰে। তেনে গছ কাটিলে পক্ষীবো বিলুপ্তি ঘটে।" গতিকে,

(1) জন্তু আৰু পক্ষী সংৰক্ষণৰ বাবে বন্যভূমিও সংৰক্ষণ কৰিব লাগে

(2) কোনো গছ কাটিব নালাগে

(3) জন্তু বা পক্ষীক আহাৰৰ যোগান ধৰিব লাগে

(4) প্রাকৃতিক পৰিবেশত মানুহ সোমাব নালাগে

**142.** ভাৰতবৰ্ষৰ চৰকাৰী আইন অনুসৰি সংৰক্ষিত বনাঞ্চল, অভয়াৰণ্য আৰু জাতীয় উদ্যান আদিত

(1) চিকাৰ কৰিলে বা হত্যা কৰিলে দণ্ডনীয় অপৰাধ হয়

(2) প্ৰবেশৰ অনুমতি দিয়া নহয়

(3) প্ৰবেশৰ বাবে বিশেষ অনুমতিৰ প্ৰয়োজন হয়

(4) চিকাৰৰ বাবে বিশেষ অনুমতি দিয়া হয়

**143.** তলৰ কোনটো বন্যপ্ৰাণীৰ আবাস অঞ্চল সংকুচিত হোৱাৰ কাৰণ নহয়?

(1) কৃষি ভূমিৰ সম্প্ৰসাৰণ

(2) নগৰীকৰণ

(3) চিৰিয়াখানা স্থাপন

(4) উদ্যোগীকৰণ

**144.** বন্যপ্ৰাণী সংৰক্ষণৰ ধাৰণাই পৃথিৱীৰ ক'ত জনপ্ৰিয়তা লাভ কৰিছে?

(1) বন্যপ্ৰাণীৰ সংখ্যা দ্ৰুতগতিত হ্ৰাস পাই অহা অঞ্চলসমূহত

(2) কেৱল ভাৰতবৰ্ষত

(3) বন্যপ্ৰাণীৰ আধিক্য থকা দেশসমূহত

(4) প্ৰায় সকলো দেশতে

***নির্দেশ*** : তলত দিয়া পৰিচ্ছেদটো ভালদৰে পঢ়া। পৰিচ্ছেদটোৰ শেষত ছটা প্ৰশ্ন (প্ৰশ্ন নং **145**-ৰ পৰা **150** লৈ) দিয়া আছে আৰু প্ৰতিটো প্ৰশ্নৰ তলত চাৰিটাকৈ বিকল্প উত্তৰ দিয়া আছে। তাৰ পৰা আটাইতকৈ উপযুক্ত উত্তৰটো নিৰ্বাচন কৰি প্ৰশ্নকেইটাৰ উত্তৰ কৰা :

কলিকতালৈ কেনেকৈ কাৰ লগত প্ৰথম গৈছিলোঁ, মনত নাই। সম্ভৱতঃ বাপু ককাইদেউৰ লগত অথবা ৰোহিণী মহন্তৰ লগত। স্বাধীনতাৰ তথা দেশ বিভাজনৰ পিছত অসমৰ লগত ভাৰতৰ বাকী অংশৰ যোগাযোগ আজিতকৈ বহু বেছি আহুকলীয়া আছিল। কলিকতালৈ যাবলৈ ব্ৰহ্মপুত্ৰ আৰু গংগাত দুবাৰ ফেৰীত উঠিবলগীয়া হৈছিল, শৰাইঘাট দলঙৰ অস্তিত্বই নাছিল। ৰিজাৰ্ভেশ্যনৰ ব্যৱস্থা আছিল একেবাৰে অনিৰ্ভৰযোগ্য। ছাত্ৰ হ'লে তৃতীয় শ্ৰেণীত ভ্ৰমণ কৰিবই লাগিব, তেনে এক অলিখিত নিয়ম আছিল আৰু টি-প্লেণ্টাৰ আদিৰ সন্তান নহ'লে প্ৰথম শ্ৰেণীত উঠাৰ দস্তুৰ নাছিল। তৃতীয় শ্ৰেণীত প্ৰচণ্ড ভিৰ। বহিবলৈ আৰু শুবলৈ জাগা বিচাৰি হায়ৰান হ'ব লাগে। উৰি অহা কয়লাৰ টুকুৰা আৰু ধোঁৱা, চুলি, সাজপাৰ, মুখত লাগি কেইঘণ্টামানতে আমাৰ চেহেৰা ভূতৰ দৰে হৈছিল—তাতে কলিকতা যাত্ৰাত তেতিয়া দুদিন-দুৰাতি (প্ৰায় তিনিদিনেই) লাগিছিল। তদুপৰি অ'ত-ত'ত কোনো জাননী নিদিয়াকৈ জিৰাই-শঁতাই যোৱাৰ অভ্যাস আছিল আসাম লিংক এক্সপ্ৰেছ (Assam Link Express) নামৰ ট্ৰেইনখনৰ। গৈ পালেই হয়, সময়ৰ হিচাপ কৰাত অসমীয়া মানুহ তেতিয়াও ক্ষিপ্ৰ হৈ উঠা নাছিল।

গল্প আছে, এবাৰ এক দুৰ্ভগীয়াই জীৱনৰ প্ৰতি বিতুষ্ট হৈ ট্ৰেইনৰ আগত পৰি মৰিবলৈ থিৰাং কৰিলে আৰু আসাম লিংক এক্সপ্ৰেছৰ চিড়িৰ ওপৰত পৰি থাকিল। তেওঁ মৰিল ঠিকেই, কিন্তু ট্ৰেইনৰ খুন্দাত নহয়। ভোকত মৰিল। ট্ৰেইন আহোঁতে বহুত দেৰি কৰিছিল।

অৱশ্যে আমাৰ থলুৱা ৰাইজৰ বাবে কথাটো সিমান অসুবিধাজনক নাছিল। তাৰ বহুকাল পিচৰ কথা। ১৯৭০ চনমান হ'ব। জাগীৰোডত ষ্টেট ট্ৰেন্সপ'টৰ বাছৰ পৰা নামি চাহ খাবলৈ কঁকাল পোনাই লৈ খোজ দিছোঁ। এনেতে ধুনীয়া নীলা ৰঙৰ নতুন আহল-বহল বাছ এখন তীব্ৰবেগে আহি অলপ দূৰত ৰ'লহি। ইউনিফৰ্ম পিন্ধা ড্ৰাইভাৰ, কণ্ডাক্টৰ আৰু যাত্ৰীসকল সশব্যস্তে নামিল। মোৰ ওচৰত দুজন ধুতী-চাদৰ পিন্ধা অসমীয়া থলুৱা ভদ্ৰলোক থিয় দি

বাছ যাত্ৰী আদিৰ দৃশ্য চাই আছিল। এজনে গৃহীন মাতেৰে ক'লে, "এইখন যে দেখিছা বাছ, ইয়াৰ নাম ছুপাৰ-বাছ। দুটামান ষ্টেচনতহে ৰাখে আৰু একমিনিটো দেৰি নকৰে। তুমি যদি পেছাব কৰিবলৈ নামি সময় মতে আহি নোপোৱা, তোমাক এৰি থৈয়ে গুচি যাব।" কথা শুনি নিৰীহ সংযোজনৰ চকু ভয়তে টেলেকা লাগিল। তেওঁ বিস্ময় মিহলি কণ্ঠেৰে ক'লে : "আও! এনে বাছত উঠা মানুহো ছুপাৰ হ'ব লাগিব দেই!"

আমি মানুহ হিচাপে ছুপাৰ হ'ব নোৱাৰিলোঁ, ছুপাৰ-বাছকে শামুকীয়া বাছত পৰিণত কৰিলোঁ। তথাপি আসাম লিংক্ এক্সপ্ৰেছৰ টিমা-তেতালাই মনত কেনে তিক্ততা সৃষ্টি কৰিছিল, অলপ-অলপ এতিয়া মনত পৰে। কেৱল এয়ে নহয়, কথা নাই বতৰা নাই, য'তে-ত'তে ট্ৰেইন ৰৈ দিয়ে আৰু বহুপৰ নিশ্চল হৈ থাকে, যেন অপৰিসীম ক্লান্তিত টোপনিত লালকাল হৈ পৰিছে। সেইবোৰ ধৈৰ্যৰ পৰীক্ষাত উত্তীৰ্ণ হৈ অৱশেষত গন্তব্যস্থল পাওঁ মানে দেহ-মন যেন বিধ্বস্ত হৈ পৰিছিল। তেতিয়াৰে পৰা যে অসমখন প্ৰান্তীয় প্ৰদেশ হৈ থাকিল, সেই নিয়তিয়ে আজিও আমাক খেদি ফুৰিছে।

**145.** লেখকে বৰ্ণনা কৰা সময়ত অসমৰ পৰা কলিকতালৈ যাবলৈ কি কৰিবলগীয়া হৈছিল?

(1) লেহেমীয়া গতিৰ বাছত যাত্ৰা কৰিবলগীয়া হৈছিল

(2) ৰেলৰ তৃতীয় শ্ৰেণীত ভ্ৰমণ কৰিবলগীয়া হৈছিল

(3) দুবাৰ ফেৰীত উঠিবলগীয়া হৈছিল

(4) ভোকে-লঘোনে কেইবাদিনো যাবলগীয়া হৈছিল

**146.** উদ্ধৃত পৰিচ্ছেদটোত লেখকে অসমীয়াৰ কোনটো জাতিগত স্বভাৱৰ কথা ব্যংগৰ চলেৰে লিখিছে?

(1) ভ্ৰমণ চখ নথকা স্বভাৱ

(2) সময় মানি নচলা স্বভাৱ

(3) পৰিশ্ৰম বিমুখিতা

(4) পৰচৰ্চা কৰা স্বভাৱ

**147.** লেখকে কাৰ লগত প্ৰথম কলিকতালৈ যোৱাৰ কথা মনত পেলাবৰ চেষ্টা কৰিছে?

(1) ৰোহিণী মহন্তৰ লগত

(2) ৰেলৰ তৃতীয় শ্ৰেণীত ছাত্ৰবন্ধুৰ লগত

(3) বাপু ককাইদেউ অথবা ৰোহিণী মহন্তৰ লগত

(4) বাপু ককাইদেউৰ লগত

**148.** ধুনীয়া নীলা ৰঙৰ নতুন বাছখন লেখকে ক'ত দেখিছিল?

(1) জাগীৰোডত

(2) কলিকতাত

(3) শৰাইঘাট দলঙত

(4) জাহাজঘাটত

**149.** লেখকে বৰ্ণনা কৰাৰ সময়ত ছাত্ৰৰ বাবে ৰেলযাত্ৰাৰ অলিখিত নিয়মটো আছিল যে

(1) ছাত্ৰই চমু ৰেলযাত্ৰাহে অকলে কৰিব পাৰে

(2) ছাত্ৰই তৃতীয় শ্ৰেণীত ভ্ৰমণ কৰিব লাগে

(3) ছাত্ৰই অভিভাৱকৰ লগত যাত্ৰা কৰিব লাগে

(4) ছাত্ৰৰ বাবে টিকটৰ প্ৰয়োজন নাই

**150.** কোনটো বৈশিষ্ট্য আসাম লিংক্ এক্সপ্ৰেছ নামৰ ট্ৰেইনখনৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়?

(1) অসম আৰু কলিকতাৰ মাজত যাতায়াত কৰে

(2) কোনো জাননী নিদিয়াকৈ জিৰাই-শঁতাই যায়

(3) য'তে-ত'তে ৰৈ বহুপৰলৈকে নিশ্চল হৈ থাকে

(4) কোনো শ্ৰেণীৰ বিভাজন নাথাকে

SPACE FOR ROUGH WORK

তলত দিয়া নির্দেশাৱলী মনোযোগেৰে পঢ়া :

1. প্ৰত্যেক প্ৰশ্নৰে চাৰিটা বিকল্প দিয়া হৈছে। শুদ্ধ উত্তৰটো (OMR) উত্তৰ-পত্ৰৰ দ্বিতীয় পিঠিত **নীলা/ক'লা বল্ পয়েন্ট্ পেনেৰে** ঘূৰণীয়াকৈ বোলাই দিয়া। এবাৰ চিহ্নিত কৰা উত্তৰটো পুনৰবাৰ পৰিৱৰ্তন কৰিব নোৱাৰা।

2. উত্তৰ-পত্ৰখন যাতে ভাঁজ কৰা নহয় সেইটো পৰীক্ষাৰ্থীয়ে নিশ্চিত কৰিব লাগিব। পৰীক্ষাৰ্থীয়ে নিজৰ ৰোল নম্বৰ (Roll No.) উত্তৰ-পত্ৰৰ নিৰ্ধাৰিত স্থানৰ বাহিৰে অন্য ঠাইত নিলিখে যেন।

3. প্ৰশ্ন-পত্ৰ আৰু উত্তৰ-পত্ৰ মনোযোগেৰে ব্যৱহাৰ কৰিবা। কাৰণ প্ৰশ্ন-পত্ৰ আৰু উত্তৰ-পত্ৰৰ কেৱল ক্ৰমিক সংখ্যাৰ খেলিমেলিৰ বাহিৰে বিকল্প প্ৰশ্ন-পত্ৰ আৰু উত্তৰ-পত্ৰ দিয়া নহ'ব।

4. পৰীক্ষা-পত্ৰ/উত্তৰ-পত্ৰত থকা ক্ৰমিক সংখ্যা উপস্থিতি পত্ৰত (Attendance Sheet) শুদ্ধভাৱে লিখিবা।

5. পৰীক্ষাৰ্থীয়ে পৰীক্ষাগৃহত প্ৰৱেশ পত্ৰ বা Admit Cardৰ বাহিৰে অন্য পাঠ সামগ্ৰী, কাগজ, পেজাৰ, মোবাইল ফোন আদি ইলেক্ট্ৰনিক সামগ্ৰী ব্যৱহাৰ কৰিব নোৱাৰে।

6. প্ৰত্যেক পৰীক্ষাৰ্থীয়ে নিৰীক্ষকক প্ৰৱেশ পত্ৰ দেখুৱাব।

7. নিৰীক্ষকৰ বিনা অনুমতিত পৰীক্ষাৰ্থীয়ে বাহিৰলৈ যাব নোৱাৰিব।

8. পৰীক্ষাৰ্থীয়ে কাৰ্যৰত নিৰীক্ষকক উত্তৰ-বহী নিদিয়াকৈ তথা উপস্থিতি-বহীত দ্বিতীয়বাৰ হস্তাক্ষৰ নকৰাকৈ পৰীক্ষা গৃহ ত্যাগ কৰিব নোৱাৰিব। যদি পৰীক্ষাৰ্থীয়ে দ্বিতীয়বাৰ উপস্থিতি-বহীত হস্তাক্ষৰ নকৰে তেনেহ'লে উত্তৰ-পত্ৰ নিদিয়া বুলি ধৰি লোৱা হ'ব আৰু ইয়াক অনুচিত কাৰ্য বুলি বিবেচনা কৰা হ'ব।

9. ইলেক্ট্ৰনিক/হস্তচালিত কেলকুলেটৰৰ প্ৰয়োগ কৰিব নোৱাৰিব।

10. পৰীক্ষা গৃহত পৰীক্ষাৰ্থী বোৰ্ডৰ নিয়ম অনুসাৰে পৰিচালিত হ'ব লাগিব। সকলো অনুচিত কাৰ্যৰ বাবে বোৰ্ডৰ সিদ্ধান্তই চূড়ান্ত হ'ব।

11. কোনো কাৰণতে পৰীক্ষাৰ্থীয়ে পৰীক্ষা-পত্ৰ আৰু উত্তৰ-পত্ৰ কোনো অংশকেই পৃথক কৰিব নোৱাৰিব।

12. **পৰীক্ষাৰ অন্তত পৰীক্ষাৰ্থীয়ে পৰীক্ষা গৃহ ত্যাগ কৰাৰ পূৰ্বে উত্তৰ-পত্ৰ নিৰীক্ষকৰ হাতত জমা দিব লাগিব। পৰীক্ষাৰ্থীয়ে পৰীক্ষা-পত্ৰ লগত নিব পাৰে।**

**READ THE FOLLOWING INSTRUCTIONS CAREFULLY :**

1. Out of the four alternatives for each question, only one circle for the correct answer is to be darkened completely with Blue/Black Ballpoint Pen on **Side-2** of the OMR Answer Sheet. The answer once marked is not liable to be changed.
2. The candidates should ensure that the Answer Sheet is not folded. Do not make any stray marks on the Answer Sheet. Do not write your Roll No. anywhere else except in the specified space in the Answer Sheet.
3. Handle the Test Booklet and Answer Sheet with care, as under no circumstances (except for discrepancy in Test Booklet Code or Number and Answer Sheet Code or Number), another set will be provided.
4. The candidates will write the correct Test Booklet Code and Number as given in the Test Booklet/Answer Sheet in the Attendance Sheet.
5. Candidates are not allowed to carry any textual material, printed or written, bits of papers, pager, mobile phone, electronic device or any other material except the Admit Card inside the Examination Hall/Room.
6. Each candidate must show on demand his/her Admit Card to the Invigilator.
7. No candidate, without special permission of the Superintendent or Invigilator, should leave his/her seat.
8. The candidates should not leave the Examination Hall without handing over their Answer Sheet to the Invigilator on duty and sign the Attendance Sheet twice. Cases where a candidate has not signed the Attendance Sheet, a second time will be deemed not to have handed over the Answer Sheet and dealt with as an unfair means case.
9. Use of Electronic/Manual Calculator is prohibited.
10. The candidates are governed by all Rules and Regulations of the Board with regard to their conduct in the Examination Hall. All cases of unfair means will be dealt with as per Rules and Regulations of the Board.
11. No part of the Test Booklet and Answer Sheet shall be detached under any circumstances.
12. **On completion of the test, the candidate must hand over the Answer Sheet to the Invigilator in the Room/Hall. *The candidates are allowed to take away this Test Booklet with them.***

**निम्नलिखित निर्देशों को ध्यान से पढ़ें :**

1. प्रत्येक प्रश्न के लिए दिए गए चार विकल्पों में से सही उत्तर के लिए OMR उत्तर-पत्र के **पृष्ठ-2** पर केवल एक वृत्त को ही पूरी तरह नीले/काले बॉलपॉइंट पेन से भरें। एक बार उत्तर अंकित करने के बाद उसे बदला नहीं जा सकता है।
2. परीक्षार्थी सुनिश्चित करें कि इस उत्तर-पत्र को मोड़ा न जाए एवं उस पर कोई अन्य निशान न लगाएँ। परीक्षार्थी अपना अनुक्रमांक उत्तर-पत्र में निर्धारित स्थान के अतिरिक्त अन्यत्र न लिखें।
3. परीक्षा पुस्तिका एवं उत्तर-पत्र का ध्यानपूर्वक प्रयोग करें, क्योंकि किसी भी परिस्थिति में (केवल परीक्षा पुस्तिका एवं उत्तर-पत्र के संकेत या संख्या में भिन्नता की स्थिति को छोड़कर) दूसरी परीक्षा पुस्तिका उपलब्ध नहीं करायी जाएगी।
4. परीक्षा पुस्तिका/उत्तर-पत्र में दिए गए परीक्षा पुस्तिका संकेत व संख्या को परीक्षार्थी सही तरीके से हाजिरी-पत्र में लिखें।
5. परीक्षार्थी द्वारा परीक्षा हॉल/कक्ष में प्रवेश-कार्ड के सिवाय किसी प्रकार की पाठ्य-सामग्री, मुद्रित या हस्तलिखित, कागज की पर्चियाँ, पेजर, मोबाइल फोन, इलेक्ट्रॉनिक उपकरण या किसी अन्य प्रकार की सामग्री को ले जाने या उपयोग करने की अनुमति नहीं है।
6. पूछे जाने पर प्रत्येक परीक्षार्थी, निरीक्षक को अपना प्रवेश-कार्ड दिखाएँ।
7. अधीक्षक या निरीक्षक की विशेष अनुमति के बिना कोई परीक्षार्थी अपना स्थान न छोड़ें।
8. कार्यरत निरीक्षक को अपना उत्तर-पत्र दिए बिना एवं हाजिरी-पत्र पर दुबारा हस्ताक्षर किए बिना परीक्षार्थी परीक्षा हॉल नहीं छोड़ेंगे। यदि किसी परीक्षार्थी ने दूसरी बार हाजिरी-पत्र पर हस्ताक्षर नहीं किए, तो यह माना जाएगा कि उसने उत्तर-पत्र नहीं लौटाया है और यह अनुचित साधन का मामला माना जाएगा।
9. इलेक्ट्रॉनिक/हस्तचालित परिकलक का उपयोग वर्जित है।
10. परीक्षा हॉल में आचरण के लिए परीक्षार्थी बोर्ड के सभी नियमों एवं विनियमों द्वारा नियमित हैं। अनुचित साधनों के सभी मामलों का फैसला बोर्ड के नियमों एवं विनियमों के अनुसार होगा।
11. किसी हालत में परीक्षा पुस्तिका और उत्तर-पत्र का कोई भाग अलग न करें।
12. **परीक्षा सम्पन्न होने पर, परीक्षार्थी कक्ष/हॉल छोड़ने से पूर्व उत्तर-पत्र निरीक्षक को अवश्य सौंप दें। *परीक्षार्थी अपने साथ इस परीक्षा पुस्तिका को ले जा सकते हैं।***